بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২১ অক্টোবৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফৰ্ড (ইউ.কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**২০২২ চনৰ আমেৰিকা পৰিদৰ্শনৰ কল্যাণময় আৰু সফলতাৰ বিস্তাৰিত বিৱৰণ, অতিথি সকলৰ প্ৰভাৱ আৰু আল্লাহ তা'লাৰ কৃপা বৰ্ষিত হোৱাৰ বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়,যোৱা দিনবোৰতে মই আমেৰিকাৰ কিছুমান জামাতৰ পৰিদৰ্শন কৰি আছিলো যি কল্যাণৰ সৈতে সম্পূৰ্ণতা লাভ কৰে। এম,টি এ আৰু আন আন জামাতী ইলেকট্ৰনিক মিডিয়াৰ মাধ্যমে সংবাদ প্ৰচাৰ লাভ কৰে; পাৰ্থিৱ চেনেলবোৰেও যথেষ্ট পৰিমাণে কভাৰেজ দি থাকিছে। সকলো ফালৰ পৰা আল্লাহ তা'লাৰ কৃপাৰ দৃশ্য দেখিবলৈ পোৱা গ'ল। নিজৰ আৰু আন আন ব্যক্তি সকলৰ ওপৰত প্ৰভাৱশালী দৃশ্য দেখিবলৈ পোৱা গ'ল। লোক সকলৰ সৈতে সাক্ষাতৰ পিছত উৎসামূলক প্ৰভাৱৰ এখন তালিকা আছে। প্ৰত্যেক ঠাইতে নামাজত মহিলা, শিশু আৰু লোক সকলৰ উপস্থিতি ব্যৱস্থাপনাৰ ধাৰণাতকৈ অধিক আছিল। লোক সকলৰ প্ৰকাশিত উৎসাৰ পৰা জানিব পৰা গৈছিল যে সিহঁতৰ হৃদয়ত খলিফাৰ প্ৰতি ভালপোৱা আৰু সহানুভূতি সুস্পষ্ট। শিক্ষিত লোক, ধনী, দুখীয়া, সৰু, ডাঙৰ আৰু পাৰ্থিৱ জগতত ব্যস্ত থকা লোক সকলেও কেইবা ঘণ্টালৈকে মছজিদৰ ভিতৰত নামাজত উপস্থিত হোৱাৰ বাবে শাৰী পাতি থাকিছিল। সেই লোক সকলৰ মাজত এনেকুৱা পৰিৱৰ্তন দেখিবলৈ পোৱা গৈছিল যে আল্লাহ তা'লাৰ কৃপাত সিহঁতৰ মাজত ধৰ্মৰ প্ৰতি ভালপোৱা আৰু খলিফাৰ সৈতে দৃঢ় সম্পৰ্ক আমেৰিকাৰ জামাতৰ সদস্য সকলৰ হৃদয়ত আছিল। এঘাৰ বাৰ বছৰ বয়সৰ শিশু সকলেও কভিড টেষ্ট ইত্যাদিৰ বাবে ঘণ্টালৈকে শাৰী পাতি আছিল তথাপি কোনেও কোনো ধৰণৰ আপত্তি জনোৱা নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই নিষ্ঠা আৰু সহানুভূতিৰ দৃশ্য সৰ্বদা আমেৰিকাৰ

জামাতৰ সদস্য সকলৰ মাজত স্থিৰ থাকক আৰু মছজিদ সমূহও এনেদৰে নামাজীৰে ভৰ্তি থাকক। আমেৰিকাত লোক সকলে ধৰ্মক পাহৰি যায়, কিন্তু মই বেছিভাগৰ মাজত এই আকৰ্ষণ দেখিবলৈ পালো যে আৰ্থিক দিকৰ পৰা অক্ষম লোক সকলেও নিজে আৰু নিজৰ ল'ৰা-ছোৱালীক ধৰ্মৰ সৈতে সংযুক্ত থকাৰ বাবে বিশেষ ভাৱে দোৱা কৰি থাকিছে। আল্লাহ তা'লা সিহঁতৰ নিষ্ঠা আৰু সহানুভূতিক সদায় যেন বৃদ্ধি কৰি থাকে । লাজনা, আনছাৰ, খুদ্দাম আৰু শিশু সকলেও সেই দিনবোৰতে ডিউটি দিছে। কেইবা দিনলৈকে ৰাতি সাৰ থাকি প্ৰস্তুতি কৰিছে। উপস্থিতিৰ সংখ্যাও সকলো ঠাইতে হাজাৰ সংখ্যাত আছিল। বায়তুৰ ৰহমানত জলছাতকৈয়ো অধিক উপস্থিতিৰ সংখ্যা আছিল, আৰু বৰ সুন্দৰ পদ্ধতিৰে কামবোৰ চম্ভালি লয়; আল্লাহ কৰক আমেৰিকাৰ জামাতৰ সদস্য সকলৰ মাজত এই পৰিৱৰ্তন ক্ষনস্থায়ী যেন নাথাকে, বৰং চিৰস্থায়ী যেন থাকে। আল্লাহ তা'লা অইন সকলৰ হৃদয়তও বৰ প্ৰভাৱ বিস্তাৰ লাভ কৰিছে। আল্লাহ তা'লা সিহঁতৰ হৃদয়খনক আৰু অধিক পৰিমাণে মুকলি কৰক যাতে সিহঁতে সত্যক চিনিব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে জায়েনত মছজিদ ফাতায়ে আজিমৰ উদ্বোধনী অনুষ্ঠানত ১৬১ জন অমুছলিম আৰু অআহমদী অতিথি সকলে অংশ গ্ৰহণ কৰিছিল, য'ত কংগ্ৰেছ মেন,কংগ্ৰেছ ওমেন,মেয়ৰ,ডাক্টৰ,প্ৰোফেছৰ,শিক্ষক,উকিল,ইঞ্জিনিয়াৰ আৰু ভিন্ন ভিন্ন বিভাগৰ সৈতে সম্পৰ্কিত লোক সকলে অংশ গ্ৰহণ কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কিছুমান অতিথি সকলৰ ওপৰত প্ৰভান্বিত হোৱা মতামত উত্থাপন কৰে। হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে জায়েন চহৰৰ মেয়ৰ বিলি মেকিনি চাহাবে কৈছে যে আহমদীয়া মুছলিম জামাতৰ বিশ্ব পথ-প্ৰদৰ্শকক মছজিদ ফাতাহে আজিমৰ উদ্বোধনীৰ সময়ত স্বাগতম জনোৱা মোৰ বাবে বৰ গৌৰৱৰ বিষয়। মই আশা কৰো যে এই উপাসনা স্থানক আমাৰ বাবে অতীত আৰু ভৱিষ্যতৰ মাজত এখন দলংৰ কাম যেন কৰে। আহমদীয়া জামাতে এই চহৰত বৰ ভাল সেৱা আগবঢ়াইছে যাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰো আৰু আমি এই চহৰৰ চাবি জামাত আহমদীয়াৰ ইমামৰ অধিনস্থ কৰো।

মেম্বাৰ অফ ইলিনোইছ জেনেৰেল এছেম্বলী আনৰবল জোয়াইছ মেছনে কয় এই চহৰ জায়েনত এই মছজিদৰ ঐতিহাসিক অনুষ্ঠানত অংশ গ্ৰহণ কৰা মোৰ বাবে গৌৰৱৰ কথা। এই চহৰৰ বাবে আজিৰ দিনটো ঐতিহাসিক দিন হয়। আলেকজেণ্ডাৰ ডুইয়ে এই চহৰৰ দুৱাৰ নিজৰ মান্যকাৰীৰ বাহিৰে অইন সকলোৰে বাবে বন্ধ কৰি ৰাখিছিল; কিন্তু এই চহৰৰ দুৱাৰ সকলোৰে বাবে মুকলি আছে, ইয়াৰ বাবে মই আহমদীয়া মুছলিম সম্প্ৰদায়ক ধন্যবাদ জনাও; মোৰ আন্তৰিক ইচ্ছা যে এই মছজিদ কেৱল এই চহৰতেই নহয় বৰং চাৰিওফালৰ বাবে আশ্বাসৰ এটা প্ৰদীপ যেন হৈ যায়। মই এই সম্প্ৰদায়ক এই মছজিদৰ উদ্বোধনী হোৱাত ধন্যবাদ জ্ঞাপন কৰি নিজকে সৌভাগ্যবান বুলি জ্ঞান কৰি আছো। এজন অতিথি জেনিফাৰে কৈছে যে যদি আপোনাৰ জামাতৰ নীতি সমূহৰ বিষয়ে যি ক'ব বিচাৰো সেয়া সকলোতকৈ অধিক উৰ্দ্ধতম; যেতিয়া আপুনি জায়েন চহৰত ভৰি ৰাখে তেতিয়া এটা

পুৰণি অট্টালিকাত নিৰ্মিত এটা মোটো, ভালপোৱা সকলোৰে বাবে, ঘৃণা কাৰো বাবে নহয় এই পয়গাম দেখিবলৈ পাওঁ আৰু তাৰ প্ৰতিধ্বনি আপোনালোকৰ সৈতে আছে আৰু এয়া জায়েন চহৰৰ মূল আত্মা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ডিলাছতও মছজিদৰ উদ্বোধনী হয় য'ত ১৪০ অমুছলিম আৰু অআহমদী অতিথি সকলে অংশ গ্ৰহণ কৰিছিল। এলিন চহৰ ছিটি কাউন্সিলৰৰ সদস্য যিসকলে চহৰৰ চাবি উত্থাপন কৰিছিল তেওঁ কয় আজি মছজিদ বায়তুল ইকৰামৰ উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰা মোৰ বাবে গৌৰৱৰ বিষয়; মই জামাত আহমদীয়াক ধন্যবাদ জ্ঞাপন কৰো। আমি জামাত আহমদীয়াৰ সেৱাৰ প্ৰশংসা কৰো যিসকলে এই চহৰৰ অনাথ সকলৰ সাহায্য আগবঢ়ায়। এই জামাতৰ বাবে সৌভাগ্য যে শান্তি আৰু মানৱ সেৱাকাৰী এটা সম্প্ৰদায়ে ইয়াত এখন মছজিদ নিৰ্মাণ কৰিছে। মই আশা কৰো যে এই মছজিদ এই চহৰত আৰু এই এলেকাত আশ্বাসৰ প্ৰদীপ যেন প্ৰতীয়মান হয়।

ছাউথাৰ্ন ইউনিভাৰ্ছিটিৰ প্ৰোফেছৰ ডাক্তৰ ৰবেট হাণ্টে এই অনুষ্ঠানত নিমন্ত্ৰণ কৰাত জামাত আহমদীয়াৰ ধন্যবাদ জ্ঞাপন কৰে আৰু কয় যে জামাত আহমদীয়াৰ ইমামৰ দুটা গুণ উপবিষ্ট যাৰ মাজত এটা ধৰ্মীয় স্বাধীনতা আৰু আনটো প্ৰত্যেক ধৰ্মৰ মানুহৰ সৈতে সংলাপ আৰু সম্বোধন হোৱা। ইতিহাস সাক্ষী যে জামাত আহমদীয়াক অত্যাচাৰৰ বলি বনোৱা হৈছে এই কাৰণে এই জামাত ধৰ্মীয় স্বাধীনতাৰ প্ৰচেষ্টাত প্ৰথম শ্ৰেণী। যেতিয়ালৈকে আমি পৰস্পৰে পৰস্পৰৰ ধৰ্মৰ সন্মান নকৰিম তেতিয়ালৈকে আমি বিভাজনক নিয়ন্ত্ৰণলৈ আনিব নোৱাৰিম।

এজন মুছলমান অতিথি ছুলতান চৌধুৰী চাহাবে কৈছে যে জামাত আহমদীয়াৰ ইমামে বিশ্বত শান্তিৰ এটা উত্তম পয়গাম দিছে, এজন মুছলমান অতিথি ডাক্তৰ হালিমুৰ ৰহমান চাহাবে কৈছে যে এই অনুষ্ঠানৰ ব্যৱস্থাপনা আৰু আলপৈচান বিশ্বাসৰ বাহিৰত আছিল। মই এই সন্মানৰ যোগ্য নাছিলো যি মোক দিয়া হৈছে। এনেকুৱা পৰিৱেশ চাই আৰু মই সন্মানিত হোৱাৰ ফলত মোৰ চকুখন আৰ্দ্ৰ হৈ পৰিল। মই ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত পৰিচালিত হৈ উত্তম মানৱৰ মাজত সময় অতিবাহিত কৰাৰ সুযোগ পাইছো।

এজনী মহিলা ওক্টোৰিয়া চাহিবাই কৈছে যে সকলোতকৈ উত্তম, জামাত আহমদীয়াৰ ভাষণ আছিল যে কেনেকৈ ধৰ্মীয় মতভেদ আৰু ভিন্ন প্ৰকাৰৰ ধাৰণা থকা সত্ত্বেও আমি পৰস্পৰে পৰস্পৰৰ সৈতে সংযুক্ত। আজিকালি আন্তঃধৰ্মীয় আলোচনাৰ অভাৱ দেখিবলৈ পোৱা গৈ আছে। আৰু এজনী মহিলা মেৰী মেকডাৰমোয়ে যিয়ে এই মছজিদৰ প্ৰতিৱেশী তাইৰ অনেক মাটি আছে আৰু তাই পাৰ্কিংৰ বাবে ঠাই দিছিল তাই কয় যে মই এই মাটিৰ পৰা আগতে ইমাম আনন্দিত হোৱা নাই যিমান আজি এই প্ৰোগ্ৰামৰ বাবে ঠাই দিয়াত আনন্দিত হৈছো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ডিলাছৰ পৰা পঁচিশ মাইল দূৰত এখন ঠাই ফোৰ্ট ওৱাৰ্থত

পোনে পাঁচ একৰ মাটিত এখন অট্টালিকা ক্রয় কৰা হৈছিল য'ত এটা গম্বুজ আৰু দুটা মিনাৰ নির্মাণ কৰাৰ প্রোগ্রাম আছে যাতে মছজিদৰ আকাৰ দিব পৰা যাব পাৰে। বৰ ভাল ঠাই জামাতৰ লোক সকলে ইয়াত নামাজ পঢ়ে। মোৰ ইয়াত নামাজে মগৰিব আৰু ইশা পঢ়াৰ সুযোগ হৈছে। এজন অতিথি এবে কৰক চাহাব যিজন ফোর্ট ওৱার্থত অৱস্থান কৰে আৰু ডিলাছৰ মছজিদৰ উদ্বোধনী কৰা সময়ত উপস্থিত আছিল তেওঁ কয় যে জামাত আহমদীয়াৰ ইমাম চাহাবে খোদা তা'লাৰ ইচ্ছানুযায়ী পৰস্পৰে পৰস্পৰৰ সৈতে মিলা-প্রীতিৰে কাম কৰাৰ প্রতি যি পয়গাম বৰ উত্তম ৰূপে প্রদান কৰিছে। শান্তিৰ পয়গাম আৰু নিউক্লিয়াৰ যুদ্ধৰ পৰা ৰক্ষা পোৱাৰ পয়গাম মোৰ বাবে বিশেষ গুৰুত্বপূর্ণ। ফোর্থ ওৱার্থৰ পৰাই এজন গীর্জাৰ সদস্য যিজনে ডিলাছত অংশ গ্রহণ কৰিছিল তাই কয় যে বৰ ভাল পয়গাম আছিল, প্রত্যেকেই খলিফাৰ এই স্পষ্ট পয়গামক নিশ্চয় শুনা উচিত। হাইস্কুলৰ এজনী শিক্ষয়িত্রীয়ে কয় যে খলিফাৰ দুটা কথায় মোক প্রভাম্বিত কৰিছে, এটা এয়া যে তেখেতে এই কথাৰ স্বীকাৰোক্তি কৰিছে যে পৰিৱেশত ইছলামৰ বিৰুদ্ধে সুৰক্ষা স্থাপিত আছে আৰু এই বস্তু মই ছাত্র সকলৰ মাজতো দেখিবলৈ পাওঁ। দ্বিতীয় মই খলিফাৰ প্রশংসা কৰো এই কাৰণে যে তেখেতে নিউক্লিয়াৰ অস্ত্র ব্যৱহাৰৰ বিৰুদ্ধে মনোযোগ আকর্ষণ কৰিছিল। আজিকালিৰ পৰিৱেশত এনেকুৱা জ্ঞানৰ পয়গাম শুনি বৰ ভাল লাগিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে জায়েনৰ মছজিদে ফাতাহে আজিমত ডুইৰ প্রত্যাহ্বানৰ উদ্ধৃতিত এখন নুমাইশ (প্রদর্শনী) লগোৱা হৈছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে মজমুৱা ইশতিহাৰাত জিলদ তৃতীয়ত ৩২ খন পত্রিকাৰ নাম লিপিবদ্ধ কৰিছে, য'ত এই প্রত্যাহ্বানৰ কথা উল্লেখ আছে। জামাত আহমদীয়া আমেৰিকাৰ অনুসন্ধান অনুযায়ী ১২৮ পত্রিকা এনেকুৱা প্রাপ্ত হৈছে য'ত এই প্রত্যাহ্বানৰ কথা উল্লেখ আছে। এইদৰে কেৱল আমেৰিকাৰ মুঠ ১৬০ খন পত্রিকাত উল্লেখ আছে। এই সমূহ পত্রিকা ডিজিটেল আকাৰত এই নুমাইশ (প্রদর্শনী)ত আছিল। এইদৰে বিভিন্ন পত্রিকা আৰু সংবাদ চেনেলৰ মাধ্যমেও মোৰ পৰিদর্শন সম্বন্ধে খবৰ প্রচাৰ কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে আমেৰিকান খ্রীষ্টানৰ পৰা আহমদী হোৱা কৰেষ্টো ফৰ চাহাবৰ নতুন বয়াতকাৰীৰ কথা উল্লেখ কৰি কয় যে এই বয়াতৰ পৰা পুৰণি আৰু বিভিন্ন ৰাজ্যৰ পৰা অহা মুহাজিৰ আহমদী সকলৰ ওপৰত বৰ ভাল প্রভাৱ পৰিছে আৰু সিহঁতৰো বয়াত কৰাৰ সুযোগ লাভ হৈছে যাৰ পৰা বৰ আবেগিক অৱস্থা সৃষ্টি হৈছিল। অর্থাৎ এই পৰিদর্শন সকলো ফালৰে পৰা আল্লাহ তা'লাই কল্যাণমণ্ডিত কৰিছে, আল্লাহ তা'লা পৰৱর্তীতো এনেকুৱা কল্যাণ বর্ষিত কৰি থাকে যেন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844